# অসমীয়া সংস্কৃতিত নামঘৰ আৰু সত্ৰৰ ভূমিকা

অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ অভ্যুত্থানত সৃষ্টি হোৱা দুটা অনুষ্ঠান- সত্ৰ আৰু নামঘৰ। এই সত্ৰ আৰু নামঘৰক কেন্দ্ৰ কৰিয়ে শংকৰদেৱৰ বৈষ্ণৱ আদৰ্শই অসমীয়া সংস্কৃতিক এক সু-গঠিত ৰূপ দিবলৈ সক্ষম হৈছিল। শঙ্কৰী সংস্কৃতিৰ মূল দুটি উপাদান হ'ল- নামঘৰ আৰু সত্ৰ।

প্ৰাক্-শঙ্কৰী যুগত অসমৰ তান্ত্ৰিক বৌদ্ধসকলৰ মাজত বৌদ্ধবিহাৰ নামৰ সামূহিক উপাসনাগৃহৰ অস্তিত্ব আছিল। বিহাৰত বুদ্ধৰ মূৰ্তি থাকে আৰু সেই মূৰ্তিৰ সমুখত বহি সৰ্বসাধাৰণে প্ৰাৰ্থনা কৰে। দেখাত এটা বৌদ্ধবিহাৰৰ মূল উদ্দেশ্যৰ লগত নামঘৰৰ সাদৃশ্য থাকিলেও শঙ্কৰদেৱে নামঘৰক বহুমুখী অনুষ্ঠানলৈ পৰিণত কৰে। নামঘৰ কেৱল উপাসনাগৃহই নহয়, ই এটি সামাজিক অনুষ্ঠান। জনজাতীয় লোকসকলৰ মৰংঘৰত যেনেকৈ সকলো সামূহিক আৰু সামাজিক সমস্যাৰ বিষয়ে মুকলিকৈ আলোচনা আৰু সিদ্ধান্ত হয়, সেইদৰে নামঘৰত ধৰ্মীয় উপাসনাৰ উপৰিও গাঁৱৰ সমস্যাৰ বিষয়ে আলোচনা হয় । এইফালৰ পৰা ইয়াৰ নামঘৰবোৰ অসমীয়া  বিচাৰালয়।

নামঘৰতে বায়নে গীত-নাটৰ আখৰা কৰি প্ৰশিক্ষণ দিয়ে। নামঘৰত উৎসৱ-পাৰ্বণ অনুষ্ঠিত হয়। একোটা নামঘৰক কেন্দ্ৰ কৰি এখন সমাজ গঠিত হয়; ঐক্য আৰু সংহতিৰ বান্ধোন ৰচনা কৰে। একোটা নামঘৰে একে ৰীতি-নীতি, ধ্যান-ধাৰণাবাহী সমাজক প্ৰতিনিধিত্ব কৰে। অসমৰ প্ৰতিখন গাঁৱতে খেৰ-বাঁহৰ জুপুৰি হ'লেও একোটা নামঘৰ আছে। কেতবোৰ নামঘৰত কেৱল বৈষ্ণৱ পৰ্বসমূহকেই পালন কৰা নহয়, থলুৱা ধ্যান-ধাৰণাৰ লোক-উৎসৱসমূহো সমান গুৰুত্বৰেই পালন কৰা হয়। 'নামঘৰ' অসমীয়া সমাজৰ প্ৰাণ কেন্দ্ৰ। অসমীয়া সমাজ য'তেই থাকে ত'তেই একোটা নামঘৰ নিৰ্মাণ কৰি লয়। এই নামঘৰতে অসমীয়া লোক সমাজে পূৱা-গধূলি গোট খাই কীৰ্ত্তন, নামঘোষা বা ভাগৱত পাঠ কৰে। নামঘৰতেই ৰাইজে গোট খাই ভাওনা-সবাহ পাতে। পানী তোলা সবাহ, গৰখীয়া সবাহ আদি পাতে। বছেৰেকীয়া ভাওনাখনো পাতে।

নামঘৰক এক প্ৰকাৰ কামঘৰ বুলিও ক'ব পাৰি। কিয়নো গাৱঁৰ উন্নয়নমূলক কাম-কাজ সম্পৰ্কে নামঘৰতে বহি ৰাইজে আলোচনা কৰে; সেইদৰেই কামৰ আঁচনি লয়। গাৱঁৰ কোনো কোনোৰ মাজত কাজিয়া-পেছাল বা বিবাদ লাগিলে

নামঘৰতেই চালিচ চপাই বিবাদৰ আপোচ-মীমাংসা কৰে। কেতিয়াবা কোনোজনে মিছা সাক্ষ্য দিলে বা মিছা মাতিলে নামঘৰত চাকি-বন্তি জ্বলাই নামঘৰৰ থাপনাত ধৰি ৰাইজে শপত খোৱায়। গাঁৱলৈ কোনো বিশেষ অতিথি আহিলে নামঘৰলৈকে মাতি নিয়ে আৰু ৰাইজে গোট খাই সভা-সমিতিও অনুষ্ঠিত কৰে। নামঘৰত ৰাইজে গোট খাই মিলা-প্ৰীতিৰে বছৰেকত একোটা ভোজভাত খায়। কোনো কোনো গাৱঁত ডেকা ভোজ, জীয়ৰী ভোজো খায়। আগৰ দিনত নামঘৰ নিৰ্মাণ কৰোতে গাৱঁৰ ৰাইজে বৰ ডাঙৰ ডাঙৰ কাঠৰ খুঁটা কাটি বাঁহ-খেৰেৰে নামঘৰ সাজিছিল। নামঘৰত ঘাই খুঁটা, লাইখুঁটা, পালি খুঁটা থাকে। নামঘৰৰ চতিত হেঙুল হাইতাল লগোৱা হৈছিল। নামঘৰৰ ভিতৰত নামঘৰৰ চতিত ৰাৱণৰ মুখা, গৰুড় পখীৰ মুখা আদি আঁকি থয়। নামঘৰৰ পূব মূৰত একোটা মণিকূট থাকে। মনিকূটত ৰাজহুৱা সম্পত্তি কিছুমানো ৰখা হয়। যেনেঃ বৰ শৰাই, ডাঙৰ টো, ডাঙৰ চৰু, ঠগি ইত্যাদি।

নামঘৰক কেন্দ্ৰ কৰি গাৱঁত এখন নামঘৰীয়া সমাজ গঢ়ি উঠে। এই নামঘৰীয়া সমাজখনত ভিন্নজনে ভিন ভিন বিষয়-বাব লৈ থাকে। গাৱঁৰ সবাহ- বিয়া আদি হ'লে মুধত আগত বহি পৰিচালনা কৰাজনক মেধি বা 'সাতোলা বোলে। গাৱঁৰ ৰাজহুৱা কাম-কাজবোৰ পৰিচালনাৰ বাবে একোজনক বাৰিকৰ বিষয়বাব দিয়া হয়। তেওঁ হে মাৰি চিঞৰি চিঞৰি গাওঁ খনৰ কিবা কামৰ বাবে ৰাইজক নামঘৰলৈ মাতি আনি আলোচনা কৰে। গাৱঁত একোজন বৰাও থাকে। বৰাই ৰাজহুৱা সম্পত্তিৰ হিচাব-নিকাচ আদি ৰাখে। বায়নজনৰ ওপৰত গাৱঁৰ গায়ন জোৰাৰ দায়িত্ব থাকে। তেওঁ খোল, মৃদং, তাল আদি গোটাই ডেকাহঁতক ৰাতি নামঘৰত গোটাই লৈ গায়ন শিকায়। গাঁৱত কাৰোবাৰ ঘৰত শ্ৰাদ্ধ, দহা, বৰসবাহ আদি হ'লে গায়েনীয়া সকলক লৈ গৈ গায়ন গাই দিয়ে। নামঘৰত একোজন নামঘৰীয়া থাকে। তেওঁ নামঘৰটো চাফ-চিকুণ কৰি ৰাখে। পুৱা-গধূলি নামঘৰত চাকি-বন্তি নিয়মীয়াকৈ জ্বলায় আৰু দবা-কাঁহ বজায়। সেইদৰেই গাৱঁৰ ডেকা গাভৰুসকলৰ মাজতো একোজনকৈ ডেকা বৰা থাকে। এই ডেকা বৰাই গাৱঁৰ ডেকা-গাভৰুৰ ঢোল-তাল সাজু কৰি ৰাখে। বিহুৱা দলৰ দায়িত্বও লয়। এনেদৰেই গাৱঁৰ নামঘৰীয়া সমাজ এখন নামঘৰক কেন্দ্ৰ কৰিয়েই গাৱঁত গঢ়ি উঠিছে।

নামঘৰ নামধৰ্মৰ কেন্দ্ৰ হ'লেও ই জাতীয় জীৱনৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। এই নামঘৰকেই অসমীয়া 'জাতীয় সংস্কৃতিৰ' যাদুঘৰ বুলিব পাৰি। আমাৰ সামাজিক, ধাৰ্মিক আৰু সাংস্কৃতিক জীৱনত নামঘৰৰ বৰঙণি উল্লেখযোগ্য। নামঘৰৰ কাৰ্যাৱলীৰ মাজেদি গণতান্ত্ৰিক চিন্তাধাৰা প্ৰকাশ পাইছে। আমাৰ সত্ৰানুষ্ঠানৰ লগত বৌদ্ধ মঠৰ কিছু সাদৃশ্য পৰিলক্ষিত হয়। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই এই প্ৰসঙ্গত মন্তব্য কৰিছে, "নামঘৰত মণিকূট সাজি সত্ৰপাতি নাম-কীৰ্ত্তন কৰি থাকি ধৰ্ম-প্ৰচাৰ

কৰাটোও তেওঁ পশ্চিমত আৰু বেহাৰত আগৰ কালত প্ৰচলিত বৌদ্ধ বিহাৰৰপৰা পোৱাটো অনুমান হয়।" নামঘৰৰ 'টুপ' শব্দটো 'ৰূপ' শব্দৰপৰা আৰু মণিকূট শব্দটো 'সুবৰ্ণ' বঙ্গগৃহৰপৰা আহিব পাৰে। নাৰীক শৰণ নিদিয়া কথাটোৱে বুদ্ধদেৱে নাৰীক সংযত স্থান নিদিয়াৰ কথাৰহে ইঙ্গিত নিয়ে।

অসমৰ গ্ৰাম্য জীৱনৰ সাংস্কৃতিক ৰুচিবোধৰ পৰিপুষ্ট সাধনত নামঘৰৰ পৰিকল্পনা বৈশিষ্ট্যপূৰ্ণ। এই নামঘৰে যি দৰে জাতীয় ঐক্য সাধন কৰিছে সেইদৰে ই জনাসাধাৰণৰ কলাসুলভ জীৱন-চেতনাৰ সঞ্চাৰ কৰি জাতীয় জীৱনত সঞ্জীবনী সুধা ঢালিছে। নামঘৰে সুস্থিৰ প্ৰগতিমূলক সামাজিক জীৱনৰ স্বাক্ষৰ বহন কৰে। মহাপুৰুষে যি দৰে নৃত্য, গীত আৰু সংলাপেৰে নাটবোৰ সম্পূৰ্ণ কৰিলে সেই দৰে নামঘৰ স্থাপন কৰি তেৰাই অসমীয়া জাতিৰ ৰঙ্গমঞ্চ বা ৰঙ্গালয়ৰ সূচনা কৰিলে। সেই কাৰণে নামঘৰক জাতীয় ৰঙ্গমঞ্চ ভাওনা ঘৰ বোলে। এই নামঘৰ আমাৰ কীৰ্ত্তন-ঘৰ আৰু প্ৰেক্ষাগৃহ। ভাওনাৰ লগত সম্বন্ধ থকা গায়ন-বায়ন ঢুলীয়া-খুলীয়া, নটুৱা সূত্ৰধাৰ আদিৰ বাছনিৰ ক্ষেত্ৰত পাৰ্গত লোকসকলকহে বিষয়-বাব দিয়া হয়। ভাৰৰীয়াৰ ক্ষেত্ৰটো একে কথাই প্ৰযোজ্য। গাঁৱৰ ল'ৰাবিলাকক এই নামঘৰতেই নৃত্য-গীত আৰু চাৰুশিল্পৰ উৎকৰ্ষ সাধন কৰি আমাৰ সামাজিক জীৱনত অৱসৰ বিনোদনৰ কাৰণে বিচিত্ৰ সমল যোগাইছে। নামঘৰৰ সিংহাসন, গৰুড় পক্ষী, পদুমফুলৰ প্ৰতীক আদিত চিন আৰু মূৰ্ত্তিকলাৰ প্ৰয়োগ দেখা যায় । সেই কালত চিত্ৰকলাই বিকাশৰ যথেষ্ট সুবিধা পোৱা নাছিল আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ অভাৱ হৈছিল যেন লাগে। তথাপি আজিকোপতি সত্ৰসমূহে এই চাৰুকলা জীয়াই ৰাখিছে।

ভাৰতীয় সংস্কৃতিত 'সত্ৰ' শব্দটো নতুন নহয়। শ্ৰীমদ্ভাগৱততে ব্ৰহ্মসত্ৰ আৰু কৰ্মসত্ৰ নামৰ দুবিধ সত্ৰৰ উল্লেখ পোৱা যায়। বৌদ্ধসকলৰ বিহাৰসমূহৰ কৰ্মপদ্ধতিৰ লগতো অসমৰ সত্ৰসমূহৰ সামঞ্জস্য লক্ষ্য কৰা যায়। ব্ৰহ্মসত্ৰত বক্তা আৰু শ্ৰোতাই সমানে ব্ৰহ্ম সম্পৰ্কে আলোচনা কৰে, ইয়াত গুৰু-শিষ্যৰ ভিন্নতা নাথাকে। মহাপুৰুষজনাই সত্ৰৰ ধাৰণা স্থাপন কৰিবৰ সময়ত ভাগৱতৰ ব্ৰহ্ম সত্ৰকে আৰ্হি কৰি লৈছিল যেন লাগে। বৌদ্ধ বিহাৰত এজন ভিক্ষু, কেইজনমান প্ৰশিক্ষাৰ্থী, শ্ৰমণ আৰু শিক্ষাৰ্থী আৱাসিক ৰূপত থাকে। সৰ্বসাধাৰণে এওঁলোকৰ ভৰণ-পোষণৰ দায়িত্ব গ্ৰহণ কৰে। শংকৰদেৱে ধৰ্ম চৰ্চাৰ অৰ্থেহে সত্ৰ স্থাপনৰ আঁচনি লৈছিল। যদিও শংকৰদেৱতেই গুৰু পৰম্পৰাৰ আৰম্ভণি হৈছিল, তথাপি শংকৰদেৱে পৰৱৰ্তী কালৰ গুৰু-গিৰি আৰু উচ্চাত্মিকতাৰ জন্ম দিয়া নাছিল। তদুপৰি ৰাজকীয় পয়োভৰ আৰু ৰাজসিক আড়ম্বৰৰ ভৰত

ধৰ্ম চৰ্চাৰ ঠাইত অৰ্থ-চিন্তা মূৰ দাঙি উঠা পৰম্পৰাও শংকৰদেৱে দি যোৱা নাছিল। পুৰুষানুক্ৰমিক গুৰু পৰম্পৰাৰ পৃষ্ঠপোষকতা নকৰি নিজে গুণী-জ্ঞানী যোগ্য উত্তৰসূৰী মাধৱদেৱক দায়িত্ব অৰ্পণ কৰি থৈ গৈছিল।

সত্ৰত এজন অধিকাৰ, জনচেৰেক ভকত আৰু শিষ্য থাকে। নিয়মীয়াকৈ নাম-প্ৰসংগ, নাট-ভাওনা, ধৰ্মচৰ্চা অনুষ্ঠিত হয়। নৈতিক, আধ্যাত্মিক আৰু সাংস্কৃতিক- এই তিনিওধৰণৰ শিক্ষাই সত্ৰসমূহত প্ৰদান কৰা হয়। সত্ৰত থকা ভকতসকলে ব্যক্তিগত সাধনাৰ উপৰি আধ্যাত্মিক, কলাত্মক, সামাজিক সকলো ধৰণৰ শিক্ষাতে নিত্য-নৈমিত্তিক কৰি এটা সংগঠনপূৰ্ণ জীৱনচৰ্যাৰ আদৰ্শ দাঙি ধৰে। অধিকাৰজনে শিষ্য থকা গাঁৱলৈ গৈ নামঘৰত শিবিৰ পাতি থাকে আৰু শিষ্যক ধৰ্ম শিক্ষা দিয়াৰ লগতে নাট-ভাওনাও শিকায়। আহোম ৰজাসকলে এই সত্ৰসমূহলৈ সাহায্য আদি প্ৰদান কৰিছিল। আনকি চাৰিখন ব্ৰহ্ম সংহতিৰ সত্ৰক ৰাজ সত্ৰ হিচাপে স্বীকৃতি আৰু মৰ্যাদা আগবঢ়াইছিল। ফলস্বৰূপে তেওঁবিলাকৰ ৰাজসিকতা দিনকদিনে বৃদ্ধি পায় আৰু ৰক্ষণশীলতাও বাঢ়ি যাবলৈ ধৰে। ইতিমধ্যে শংকৰ-মাধৱৰ পোনপটীয়া আজ্ঞা নোহোৱাকৈ বহুতো সত্ৰ পাবতে গজিবলৈ ধৰে। এনে পূৰ্ব পৰম্পৰাহীন সত্ৰ সভায়ো শংকৰী সংস্কৃতিলৈ বৰঙণি যোগোৱাৰ সলনি সমাজত বিভেদকামী ৰীতি-নীতিৰহে জন্ম দিয়ে।

মহাপুৰুষ শংকৰদেৱে তিৰোভাৱৰ আগতে সাতজন ধৰ্মাচাৰ্যৰ মাজৰে মাধৱদেৱক উত্তৰাধিকাৰী পাতি থৈ যোৱাত দুই-এজন ধৰ্মাচাৰ্য ক্ষুণ্ণ হৈছিল। গুৰুজনাৰ প্ৰতি একান্ত ভক্তিভাৱ থকাৰ পাছতো একালৰ সম মৰ্যাদাবিশিষ্ট মাধৱদেৱক গুৰু-অধিকাৰ হিচাপে স্বীকৃতি দিবলৈ মানসিকভাৱে প্ৰস্তুত হ'ব নোৱাৰি ব্ৰাহ্মণ দামোদৰদেৱ আৰু হৰিদেৱ আঁতৰি গৈছিল আৰু শংকৰদেৱৰ বৈষ্ণৱ আদৰ্শৰ লগতে ব্ৰাহ্মণ্য ৰীতি-নীতি, আনকি মূৰ্তি পূজাকো পুনৰ গ্ৰহণ কৰিছিল। অৱশ্যে এই পূজা আছিল শ্ৰৱণ- কীৰ্তনৰ দ্বাৰাহে। ফলস্বৰূপে কিছুমান চৈতন্যীয়া সত্ৰৰ সৃষ্টি হয় আৰু এই সত্ৰৰ শিষ্যৰ মাজত পঞ্চদেৱতাৰ প্ৰাধান্য পুনৰ বৃদ্ধি পায়। দামোদৰদেৱ আৰু হৰিদেৱৰ প্ৰচেষ্টাতেই শেষত ব্ৰহ্ম সংহতিৰ সৃষ্টি হ'ল। আহোম ৰজাঘৰত ব্ৰহ্ম সংহতিৰ চাৰি সত্ৰই 'ৰাজসত্ৰ' ৰূপেও স্বীকৃতি পায় আৰু তাৰেই ফলস্বৰূপে গজগজীয়া হৈ পৰা ব্ৰহ্মসংহতিৰ উচ্চাত্মিকা বৃদ্ধি পায়- জাতি-ভেদ আদৰ্শ পুনৰ জাগ্ৰত হয়।

দুখনমান চৰিত পুথিৰ পৰা জনা যায় যে শংকৰদেৱে জ্যেষ্ঠ পুত্ৰ ৰমানন্দক উত্তৰাধিকাৰী নাপাতি মাধৱদেৱক 'ধৰ্মবস্তু' দি থৈ যোৱা বাবে এচাম লোক বাৰুকৈয়ে অসন্তুষ্ট হৈছিল। কেইখনমান চৰিতত মাধৱদেৱে গুৰুজনাৰ নাতি বুলি

পুৰুষোত্তম ঠাকুৰক 'ধৰ্মবস্তু' পুনৰ ঘূৰাই দিয়াৰ কাহিনী বিশেষ তাৎপৰ্যপূৰ্ণভাৱে ৰচিত হৈছে। 'ঠাকুৰ চৰিত'ত পুৰুষোত্তম ঠাকুৰক শংকৰদেৱৰ মূল আৰু যথাৰ্থ উত্তৰাধিকাৰী বুলি প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা যেন লাগে। আৰু শংকৰদেৱৰ নাতি, জী-নাতি আৰু নাতি জোঁৱাইৰ পৰা বুঢ়া সত্ৰকেইখনমানৰে গইনা লৈ জন্ম হ'ল পুৰুষ সংহতিৰ। উচ্চাত্মিকতাৰ ফলশ্ৰুতিতে শংকৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰৰ লগত মাধৱদেৱৰ আজ্ঞাপৰ বাৰজন আচাৰ্যৰ প্ৰধান মথুৰাদাস বুঢ়া আতা আৰু গোবিন্দ মিশ্ৰৰ মনোমালিন্য হৈছিল। আৰু পুৰুষ সংহতিৰ পৰৱৰ্তী ধৰ্মাচাৰ্যসকলক স্বীকৃতি নিদি মালা-বস্তু পৰিত্যাগ কৰি ধৃতি নীতিৰ ওপৰত অনাৱশ্যক গুৰুত্ব দিয়াৰ পৰাই সৃষ্টি হ'ল নিকা সংহতিৰ।

মাধৱদেৱৰ আজ্ঞাপৰ ধৰ্মাচাৰ্যসকলৰ ভিতৰত অতি প্ৰতিভাশালী আৰু জনপ্ৰিয় পুৰুষ হ'ল গোপালদেৱ বা ভৱানীপুৰীয়া বংশী গোপাল আতা। গড়গাঁৱৰ উপকণ্ঠ অঞ্চলত ডাঙৰ-দীঘল হোৱা গোপাল আতাই ধৰ্মাচাৰ্য হোৱাৰ পাছত উজনিত অনাৰ্যসকলক ধৰ্মশিক্ষা দিয়াৰ দায়িত্ব গ্ৰহণ কৰে। নিকা সংহতিৰ অতি নৈষ্ঠিক ধৃতি-নীতিসমূহ প্ৰয়োগ কৰি নিজা ৰীতি-নীতিত অভ্যস্ত, মদ-মাংস যাৰ আহাৰ্য, সেই মংগোলীয় তথা কিৰাত গোষ্ঠীসম্ভূত মানুহখিনিক বৈষ্ণৱ কৰিবলৈ চেষ্টা কৰা যে সম্ভৱ নহ'ব, সেই কথা সহিষ্ণু, উদাৰ গোপাল আতাই ভালকৈয়ে বুজি পাইছিল আৰু কেৱল শৰণ ব্যৱস্থা প্ৰয়োগ কৰি বাকীবিলাক ৰীতি-নীতি, আচাৰ শিথিল কৰি দিছিল। গোপাল আতাৰ উদাৰ নৈতিক দৃষ্টিভংগীয়েই তেওঁবিলাকক বৈষ্ণৱ সংস্পৰ্শলৈ আনিবলৈ সক্ষম হৈছিল যদিও গুৰুজনাৰ দুই নাতি পুৰুষোত্তম আৰু চতুৰ্ভুজে এই নীতিক সহজভাৱে নল'লে- এইদৰেই সৃষ্টি হ'ল গোপাল আতাৰ কাল সংহতিৰ।

এনেকৈয়ে নাম, দেৱ, গুৰু আৰু ভকত এই চাৰিমুঠি বস্তুক লৈ চাৰি সংহতিৰ সৃষ্টি হ'ল। শংকৰদেৱে কেৱল এক শৰণ ভক্তিপ্ৰধান ধৰ্মপ্ৰচাৰ কৰিছিল আৰু জাতি-ভেদ অস্বীকাৰ কৰিছিল। কিন্তু শংকৰদেৱৰ পৰৱৰ্তী এশ বছৰৰ ভিতৰতে তেৰাৰ আদৰ্শলৈ অতীতৰ ব্ৰাহ্মণ্য পুৰোহিত শ্ৰেণীৰ উচ্চাত্মিকা, শোষণ, নিষ্পেষণৰ বা-বতাহ বলিবলৈ ধৰিলে। ঊনবিংশ শতিকাৰ সময়লৈ অসমলৈ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰকসকলৰ আগমন হ'বলৈ ধৰিলে আৰু বেপ্টিষ্ট পাদুৰীসকলে জনজাতীয় লোকসকলক প্ৰভাৱিত কৰিলে। সত্ৰ সংস্কৃতিত ইতিমধ্যেই বিভেদৰ সৃষ্টি হৈছিল। কাল সংহতিৰ সত্ৰ কিছুমানত মাথোন সমভাৱ জীয়াই থাকিল, ব্ৰহ্ম সংহতি পুনৰ ব্ৰাহ্মণ্য সংস্কৃতিলৈ উলটি গ'ল; পুৰুষ সংহতি আৰু নিকা সংহতি আচাৰ প্ৰধান সংহতিলৈ ৰূপান্তৰিত হ'ল। পুৰুষ সংহতিয়ে শ্ৰাদ্ধ, পিণ্ড, লগুণ, শালগ্ৰাম, গায়ত্ৰী লৈ গোপনে ব্ৰাহ্মণ্য ৰীতি গ্ৰহণ কৰিলে।

সত্ৰক কেন্দ্ৰ কৰিয়েই এসময়ত আমাৰ অসমীয়া সংস্কৃতিয়ে গঢ় লৈ উঠিছিল আৰু আজিও এই সত্ৰসমূহে গুৰুজনাৰ আদৰ্শক যথাসম্ভৱ ধৰি ৰাখিছে। এসময়ত এই সত্ৰসমূহতে সৃষ্টি হৈছিল নাট, গীত, পদ আৰু চৰিত সাহিত্যৰ। সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰস্থল স্বৰূপ এই সত্ৰসমূহে আজি পূৰ্বৰ ঐতিহ্য হেৰুৱাই পেলাইছে। গুৰুজনাৰ আদৰ্শই আছিল উদাৰনৈতিক আৰু এই উদাৰনৈতিক আদৰ্শত যেতিয়া উচ্চত্মিকতাৰ প্ৰৱেশ ঘটিল, তেতিয়াই সত্ৰই পূৰ্বৰ মৰ্যদা হেৰুৱাই পেলালে। তথাপি এয়া অৱশ্য স্বীকাৰ্য অসমৰ সত্ৰ আৰু সত্ৰৰ নামঘৰে অসমৰ প্ৰাচীন কলা-কৃষ্টি ৰক্ষা কৰি আহিছে।

**সহায়ক গ্ৰন্থ:**

*অসমৰ সংস্কৃতি* - লীলা গগৈ

*অসমৰ লোক সংস্কৃতিৰ ৰূপৰেখা* - উমেশ চেতিয়া

*অসমীয়া সংস্কৃতি* - হৰিপ্ৰসাদ নেওগ

লীলা গগৈ(সম্পা:)

*অসমকোষ* - হেমন্ত কুমাৰ ভৰালী

★—★—★—★—★

**পাঠ্য সামগ্ৰী সম্পাদনা আৰু প্ৰস্তুতি:**

ৰুকুনুদ্দিন আহমেদ,

সহকাৰী অধ্যাপক, অভয়াপুৰী মহাবিদ্যালয়